# REGIONAL NEWS UNIT
## AKASHVANI, GUWAHATI
0000000000

**Date :** 03-01-2025
**Time :** 1715 Hrs

## *Assamese Evening Bulletin*
### *HEADLINES*

**- - - - - - - - - - - - - - -**

কেন্দ্ৰীয় ৰে'ল মন্ত্ৰী অশ্বিনী বৈষ্ণৱে আজি গুৱাহাটীত ভাৰতীয় ৰেলৱেই গুৱাহাটী আৰু উত্তৰ লখিমপুৰৰ মাজত চলাচল কৰোৱাৰ সিদ্ধান্ত লোৱা নতুন জন শতাব্দী এক্সপ্ৰেছ ৰে'লখনৰ যাত্ৰা আনুষ্ঠানিকভাৱে শুভাৰম্ভ কৰে। ৰে'লমন্ত্ৰীগৰাকীয়ে আজি পতাকা জোকাৰি তিনিচুকীয়া-নাহৰলগুন এক্সপ্ৰেছ আৰু গুৱাহাটী-নিউ বঙাইগাঁও যাত্ৰীবাহী ৰে'ল দুখনৰ যাত্ৰাৰো শুভাৰম্ভ কৰে।

গুৱাহাটী ৰে'ল ষ্টেচনত আজি এই উপলক্ষে আয়োজিত এটা কাৰ্যসূচীত অংশগ্ৰহণ কৰি দিয়া ভাষণত কেন্দ্ৰীয় মন্ত্ৰীগৰাকীয়ে কয়, যে ২০২৪-২৫ বৰ্ষত উত্তৰ-পূৰ্বাঞ্চলৰ ৰে'ল খণ্ডৰ বিকাশৰ বাবে ১০ হাজাৰ কোটি টকা আবণ্টন দিয়া হৈছে। উত্তৰ-পূৰ্বাঞ্চল এতিয়াৰে পৰা দেশৰ নতুন ইঞ্জিন বুলি উল্লেখ কৰি শ্ৰী বৈষ্ণৱে কয়, যে প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে উত্তৰ-পূৰ্বাঞ্চলৰ বিকাশৰ বাবে **লুক ইষ্ট নীতিক এক্ট ইষ্ট নীতি**লৈ সলনি কৰিলে। উত্তৰ-পূব খণ্ডৰ আন্তঃগাঁথনিৰ উন্নয়নৰ বাবে বাজেটত এক লাখ ২৫ হাজাৰ কোটি টকাৰ আৱণ্টন দিয়া হৈছে বুলি কেন্দ্ৰীয় মন্ত্ৰিগৰাকীয়ে প্ৰকাশ কৰে।

উল্লেখযোগ্য যে, এই নতুন জন শতাব্দী এক্সপ্ৰেছ ৰে'লখনে ব্ৰহ্মপুত্ৰৰ উত্তৰ পাৰৰ সৈতে গুৱাহাটীৰ ৰে'ল যোগাযোগ অধিক সুচল কৰি তুলিব।

কেন্দ্ৰীয় মন্ত্ৰীগৰাকীয়ে তেওঁৰ ভাষণত জাগীৰোডত ৰাষ্ট্ৰীয় বৈদ্যুতিন আৰু তথ্য-প্ৰযুক্তি প্ৰতিষ্ঠান অৰ্থাৎ নাইলেট বিশ্ববিদ্যালয় স্থাপনৰ কথা উল্লেখ কৰি কয়, যে এই প্ৰতিষ্ঠানে যুৱক-যুৱতীসকলক বৈদ্যুতিন, ছেমি কণ্ডাক্টৰ, কৃত্ৰিম বুদ্ধিমত্তা আদি বিভিন্ন ক্ষেত্ৰত কাম কৰাৰ বাবে সাজু কৰি তুলিব।

অনুষ্ঠানত অংশগ্ৰহণ কৰি মুখ্যমন্ত্ৰী ড০ হিমন্ত বিশ্ব শৰ্মাই কয়, যে ২০৪৭ চনৰ ভিতৰত বিকশিত ভাৰতৰ লক্ষ্যত উপনীত হোৱাৰ ক্ষেত্ৰত প্ৰযুক্তিগত বিপ্লৱে সহায় কৰিব। এই ক্ষেত্ৰত নাইলেট বিশ্ববিদ্যালয়ে ৰাজ্যৰ শিক্ষা জগতত নতুন দিগন্তৰ সূচনা কৰিব বুলি মুখ্যমন্ত্ৰীয়ে উল্লেখ কৰে। মুখ্যমন্ত্ৰী ড০ শৰ্মাই কেন্দ্ৰীয় মন্ত্ৰী অশ্বিনী বৈষ্ণৱক অহা ২৫ ফেব্ৰুৱাৰীত হ'বলগীয়া এডভাণ্টেজ আছাম সন্মিলনলৈ আমন্ত্ৰণ জনায়।

আজিৰ অনুষ্ঠানত ৰাজ্যপাল লক্ষ্মণ প্ৰসাদ আচাৰ্য, বৈদেশিক পৰিক্ৰমা বিভাগৰ ৰাজ্য মন্ত্ৰী পবিত্ৰ মাৰ্ঘেৰিটা, আকাশবাণীৰ সঞ্চালক প্ৰধান প্ৰজ্ঞা পালিৱাল গৌড়ৰ লগতে কেইবাগৰাকীও মন্ত্ৰী আৰু সাংসদ উপস্থিত থাকে।

ooooo

তথ্য আৰু সম্প্ৰচাৰ মন্ত্ৰী অশ্বিনী বৈষ্ণৱে গুৱাহাটীত আয়োজিত এই অনুষ্ঠানতে ভিডিঅ' কনফাৰেন্সিঙৰ জৰিয়তে আকাশবাণী কোকৰাঝাৰ কেন্দ্ৰৰ ১০ কিলোৱাট শক্তি সম্পন্ন নতুন এফ এম ট্ৰান্সমিটাৰটো আনুষ্ঠানিকভাৱে

ৰাইজৰ সেৱাত উৎসৰ্গা কৰে। আকাশবাণী কোকৰাঝাৰ কেন্দ্ৰই বি টি আৰৰ জনসাধাৰণৰ দীৰ্ঘ দিনীয়া সপোন পূৰণ কৰিলে বুলি কেন্দ্ৰীয় মন্ত্ৰীগৰাকীয়ে উল্লেখ কৰে। ১৯৯৯ চনৰ ১৫ আগষ্টৰ পৰা জনসাধাৰণৰ সুবিধাৰ্থে সেৱা আগবঢ়াই অহা এই কেন্দ্ৰৰ নতুন এফ এম ট্ৰান্সমিটাৰে ৭০ কিলোমিটাৰ ব্যাসাৰ্ধ সামৰি ল'ব। ইয়াৰ ফলত কোকৰাঝাৰ আৰু ইয়াৰ কাষৰীয়া ধুবুৰী, বঙাইগাঁও আৰু চিৰাং জিলাৰ শ্ৰোতাসকলে আজিৰ পৰা এফ এম বেণ্ডৰ ১০২ মেগাহাৰ্টজত আকাশবাণী কোকৰাঝাৰৰ অনুষ্ঠানসমূহ শুনিব পাৰিব। গুৱাহাটীত আয়োজিত অনুষ্ঠানৰ সমান্তৰালভাৱে কোকৰাঝাৰ বিজ্ঞান মহাবিদ্যালয়ৰ প্ৰেক্ষাগৃহত এই উপলক্ষে আয়োজিত এটা অনুষ্ঠানত বি টি চিৰ মুখ্য কাৰ্যবাহী সদস্য প্ৰমোদ বড়ো, কোকৰাঝাৰ লোকসভা সমষ্টিৰ সাংসদ জয়ন্ত বসুমতাৰী, ৰাজ্যসভাৰ সাংসদ ৰণগৌড়া নাৰ্জাৰী আৰু কোকৰাঝাৰৰ ভালেকেইগৰাকী ব্যক্তিয়ে অংশগ্ৰহণ কৰে।

০০০০০

ৰাজ্যৰ পঞ্চায়ত আৰু গ্ৰামোন্নয়ন, পৰ্যটন আদি বিভাগৰ মন্ত্ৰী ৰণজিৎ কুমাৰ দাসে আজি বজালী বিধানসভা সমষ্টিৰ বিভিন্ন ৰোগত চিকিৎসাধীন ৰোগীক মুখ্যমন্ত্ৰীৰ সাহায্য পুঁজিৰ চেক বিতৰণ কৰে। বজালী জিলাৰ পাঠশালাত আয়োজিত কাৰ্যসূচীত মন্ত্ৰীগৰাকীয়ে সমষঅটিটোৰ ২৫৩ গৰাকী ৰোগীক মুখ্যমন্ত্ৰীৰ সাহায্য পুঁজিৰ চেক বিতৰণ কৰে। অনুষ্ঠানত ভাষণ প্ৰসংগত তেওঁ মুখ্যমন্ত্ৰী হিমন্ত বিশ্ব শৰ্মাই ৰাজ্যৰ সৰ্বাঙ্গীন উন্নয়ন সাধন কৰাৰ বাবে অহৰহ প্ৰচেষ্টা অব্যাহত ৰাখিছে বুলি মত প্ৰকাশ কৰে। আজিৰ অনুষ্ঠানতে মন্ত্ৰীগৰাকীয়ে অসম দৰ্শন আঁচনিৰ অধীনত ৯ টা অনুষ্ঠানত ৩০ লাখ টকাৰ চেক বিতৰণ কৰে। ইযাৰ উপৰিও কেইবাটাও অনুষ্ঠান-প্ৰতিষ্ঠানক তেওঁ আৰ্থিক সাহায্য প্ৰদান কৰে। অনুষ্ঠানত তেওঁ পাঠশালাত অনুষ্ঠিত হ'বলগীয়া অসম সাহিত্য সভাৰ সপ্তসপ্ততিতম অধিবেশনৰ বাবে মুখ্যমন্ত্ৰীয়ে ৫ কোটি টকা সাহায্য আগবঢ়োৱাৰ কথা অৱগত কৰে। আজিৰ অনুষ্ঠানত অঞ্চলটোৰ কেইবাগৰাকীও বিশিষ্ট ব্যক্তি উপস্থিত থাকে।

০০০০০

কাজিৰঙা ৰাষ্ট্ৰীয় উদ্যানৰ কঁহৰাৰ ২ নম্বৰ ম'হপাৰাত আজি পুৱাৰ ভাগত গড়ৰ আক্ৰমণত এজন লোকৰ মৃত্যু হয়। খেতি পথাৰত কাম কৰি থকা অৱস্থাত গড়ৰ আক্ৰমণত গুৰুতৰভাৱে আহত লোকজনক চিকিৎসালয়লৈ লৈ যোৱা হয় যদিও চিকিৎসকে মৃত ঘোষণা কৰে। লোকজন অঞ্চলটোৰে অমৰাম গণক বুলি জানিব পৰা গৈছে।

০০০০০

সমাপ্ত